# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 06-10-2026
**Time :** 0705 HRS.

ASSAMESE NSD MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে তিনি দিনীয়া ভ্ৰমণ সূচীৰে আজি হিমাচল প্ৰদেশলৈ ৰাওনা হ'ব।

২। তামিলনাডু, পুডুচেৰী আৰু পশ্চিমবংগৰ পাঁচটা বিধানসভা সমষ্টি আৰু অসমৰ এটা লোকসভা সমষ্টিৰ বাবে আজি উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

৩। কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে বিশাখাপট্টনমৰ হিন্দুস্তান শ্বিপ ইয়াৰ্ড লিমিটেডত ফ্লিট ছাপোৰ্ট শ্বিপ-ৱান মুকলি কৰাৰ লগতে ফ্লিট ছাপোৰ্ট শ্বিপ-ফাইভ ৰ আধাৰশিলা স্থাপন কৰিব।

৪। ভাৰতে আফগানিস্তানৰ সাৰ্বভৌমত্ব, ঐক্য আৰু ভৌগোলিক অখণ্ডতাৰ প্ৰতি সন্মান জনাইছে। *আৰু*

৫। ভাৰত-ৱেষ্ট ইণ্ডিজৰ মাজত হ'বলগীয়া পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথম খেল আজি লক্ষ্ণৌত অনুষ্ঠিত হ'ব।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে তিনি দিনীয়া ভ্ৰমণ সূচীৰে আজি হিমাচল প্ৰদেশলৈ ৰাওনা হ'ব। এই ভ্ৰমণকালত শ্ৰীমতী মুৰ্মুৱে ভাৰতীয় আয়ুৰ্বেদিক প্ৰতিষ্ঠান- এইমছ বিলাসপুৰৰ সমাৱৰ্তন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব আৰু প্ৰশিক্ষিত চিকিৎসকসকলক ডিগ্ৰী প্ৰদান কৰিব।

ৰাষ্ট্ৰপতিৰ এই ভ্ৰমণৰ পৰিপ্ৰেক্ষিতত বিলাসপুৰ জিলা প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰিছে। এইমছ চৌহদত আৰক্ষী আৰু নিৰাপত্তা বাহিনীয়ে কটকটীয়া নিৰাপত্তা গঢ়ি তোলাৰ লগতে ৰাষ্ট্ৰপতিয়ে ভ্ৰমণ কৰিবলগীয়া প্ৰতিটো পথৰ নিৰাপত্তা সুদৃঢ় কৰি তুলিছে।

সমাৱৰ্তন অনুষ্ঠানৰ পাছতে শ্ৰীমতী মুৰ্মু মানালী ভ্ৰমণ কৰিব আৰু তাত নিশাটো কটাব। ৰাষ্ট্ৰপতিৰ নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি তেওঁ হিড়িম্বা মন্দিৰ দৰ্শন কৰাৰ লগতে কাইলৈ ৰ'তাঙত থকা অটল টানেলো পৰিদৰ্শন কৰিব। ৰাষ্ট্ৰপতিৰ এই ভ্ৰমণৰ বাবে কুল্লু জিলা প্ৰশাসনে নিৰাপত্তা আৰু যানবাহন পৰিচালনাৰ ক্ষেত্ৰত ব্যাপক প্ৰস্তুতি গ্ৰহণ কৰিছে। হোটেল অঞ্চল আৰু প্ৰধান পথসমূহত কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এই ভ্ৰমণ সামৰি অহা ৮ অক্টোবৰত দিল্লীলৈ উভতি আহিব।

ooooo

তামিলনাডু, পুডুচেৰী আৰু পশ্চিমবংগৰ পাঁচটা বিধানসভা সমষ্টি আৰু অসমৰ এটা লোকসভা সমষ্টিৰ বাবে আজি উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। তামিলনাডুৰ মাডুৰানতাকাম আৰু ধাৰাপুৰম, পুডুচেৰীৰ থাট্টানস্বেদী আৰু পশ্চিম

বংগৰ ৰেজিনগৰ আৰু নন্দিগ্ৰাম-এই পাঁচটা বিধানসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। অসমৰ নগাঁও লোকসভা সমষ্টিৰ বাবে আজি উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব। সমষ্টিকেইটাৰ অহা শুকুৰবাৰে ভোটগণনা কৰা হ'ব।

০০০০০

উত্তৰ প্ৰদেশৰ সমাগত ৰাজ্যসভা নিৰ্বাচনৰ ৮ খন আসনৰ বাবে বিজেপিয়ে প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। দলে ধৰমপাল সিং, ৰাধাকান্ত ওজা, প্ৰকাশ পাল, বিদ্যাসাগৰ শংকৰ, গোপীকৃষ্ণ পাণ্ডে, প্ৰিয়ংকা সিং ৰাৱট, ৰামপ্ৰতাপ সিং চৌহান আৰু শ্ৰুতি গংগোৱাৰৰ নাম প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰিছে। ৰাজ্যসভাৰ এই দ্বিবাৰ্ষিক নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিন।

উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড আৰু পশ্চিমবংগৰ ৰাজ্য সভাৰ আসনসমূহৰ বাবে অহা ১৬ অক্টোবৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। উত্তৰ প্ৰদেশৰ ১০ খন আসন আৰু উত্তৰাখণ্ডৰ এখন আসনৰ নিৰ্বাচনৰ লগতে পশ্চিমবংগৰ এখন আসনৰ বাবে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি বিশাখাপট্টনমৰ হিন্দুস্তান শ্বিপ ইয়াৰ্ড লিমিটেডত ফ্লিট ছাপোৰ্ট শ্বিপ-ৱান মুকলি কৰাৰ লগতে ফ্লিট ছাপোৰ্ট শ্বিপ-ফাইভ চমুকৈ FSS-5 ৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে শ্লিপ ৱে ফ'ৰ আৰু ৩০০ টন ক্ষমতাযুক্ত গুলিয়াথ ক্ৰেনো উদ্বোধন কৰিব।

প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে কয়, যে সম্প্ৰসাৰণ আৰু ওজন বহন ক্ষমতা বৃদ্ধিৰ লগে লগে উন্নীত শ্লিপ ৱে ফ'ৰ আৰু গুলিয়াথ ক্ৰেন জাহাজ নিৰ্মাণ কাৰখানাটোৱে ৪৫ হাজাৰ ডেডৱেট টন পৰ্যন্ত জাহাজৰ নিৰ্মাণ আৰু মুকলি সম্ভৱ হৈ উঠিব। ইয়াৰ ফলত শ্বিপ ইয়াৰ্ডৰ বৃহৎ জাহাজ নিৰ্মাণৰ ক্ষমতা বৃদ্ধি পাব।

০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোৱেলে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ব্যৱসায়িক নেতাসকলক সাক্ষাৎ কৰাৰ লগতে ভাৰতত অংশীদাৰিত্ব আৰু বিনিয়োগ সন্দৰ্ভত থকা সুবিধা সম্পৰ্কে আলোচনা কৰে। শ্ৰী গোৱেলে ব্লেকষ্টোনৰ অধ্যক্ষ আৰু মুখ্য কাৰ্যবাহী বিষয়া জনাথন গ্ৰে, নিউবাৰ্গাৰ বাৰমেনৰ অধ্যক্ষ তথা মুখ্য কাৰ্যবাহী বিষয়া জৰ্জ্ ৱাকাৰ আৰু দ্য ইষ্টি লাউডাৰ কম্পেনীৰ অধ্যক্ষ আৰু মুখ্য কাৰ্যবাহী বিষয়া ষ্টিফেন ডি লা ফেবেৰিক কালি নিউয়ৰ্কত সাক্ষাৎ কৰে। শ্ৰী গোলেৰে জৰ্জ ৱাকাৰ, এণ্টনি টুট্ৰ'ন, এড্ৰিউ কমাৰফৰ সৈতেও বৈঠকত মিলিত হয়। মন্ত্ৰী শ্ৰী গোৱেলে কয়, যে শক্তিশালী ব্যৱসায়িক, আৰ্থিক বুনিয়াদ আৰু মূলধনী বজাৰৰ প্ৰসাৰতাৰ লগতে ভাৰতত গোলকীয় বিনিয়োগৰাকীসকলৰ বাবে দীৰ্ঘদিনীয়া মূল্য থকা সুবিধাৰ সৃষ্টিৰ সম্ভাৱনা আছে। উল্লেখযোগ্য যে শ্ৰী গোৱেলে জি-২০ বাণিজ্য মন্ত্ৰীসকলৰ সন্মিলনত অংশগ্ৰহণৰ বাবে আমেৰিকালৈ গৈছিল। তেওঁ ছিকাগ'ত আমেৰিকান ব্যৱসায়িক নেতাসকলক সাক্ষাৎ কৰাৰ লগতে ভাৰতীয়মূলৰ লোকসকলৰ এটা অনুষ্ঠানটো অংশগ্ৰহণ কৰে।

০০০০০

ভাৰতে আফগানিস্তানৰ সাৰ্বভৌমত্ব, ঐক্য আৰু ভূখণ্ডীয় অখণ্ডতাৰ প্ৰতি সমৰ্থন জনাইছে। মস্কোত ৰাছিয়াই আয়োজন কৰা অষ্টম মস্কো ফৰ্মেট কনচালটেশ্যনত আফগান জনসাধাৰণৰ কল্যাণৰ প্ৰতি থকা দায়বদ্ধতা সন্দৰ্ভত আলোকপাত কৰি ভাৰতীয় প্ৰতিনিধি দলৰ নেতৃত্বত থকা ৰাছিয়াৰ ৰাষ্ট্ৰদূত বিনয় কুমাৰ আৰু যুটীয়া সচিব ডº এম সুৰেশ কুমাৰে এইদৰে মত

প্ৰকাশ কৰে।  এই আলোচনাত ৰাছিয়া, ভাৰত, ইৰাণ, কাজাখস্তান, চীন, কিৰ্গিস্তান, পাকিস্তান, তাজিকিস্তান আৰু উজবেকিস্তানৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে আৰু আফগানিস্তানৰ বিদেশ মন্ত্ৰী আমিৰ খান মুত্তকীয়ে দেশখনক প্ৰতিনিধিত্ব কৰে। বেলাৰুছ আৰু ইজিপ্তে অতিথি হিচাপে অংশগ্ৰহণ কৰে।

ৰাছিয়াৰ বৈদেশিক মন্ত্ৰালয়ই প্ৰকাশ কৰা অনুসৰি, অংশগ্ৰহণকাৰীসকলে কাবুলৰ সৈতে সমান আৰু পাৰস্পৰিকভাৱে লাভজনক ভিত্তিত সহযোগিতা গঢ়ি তোলাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত আলোকপাত কৰে।  ৰাছিয়াৰ বিদেশ মন্ত্ৰী চাৰ্গেই লাভৰভে কয় যে এই মঞ্চই আফগানিস্তানৰ সৈতে সমান আৰু পাৰস্পৰিকভাৱে লাভজনক অংশীদাৰিত্ব বিচৰা দেশসমূহক একত্ৰিত কৰে। উল্লেখযোগ্য যে আফগানিস্তানত শান্তিৰ প্ৰসাৰৰ বাবে ২০১৭ চনত মস্কো ফৰ্মেট স্থাপন কৰা হৈছিল। বৈঠকত লাভৰভে বিদেশ মন্ত্ৰী মুত্তাকিৰ সৈতে আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক মঞ্চত দ্বিপাক্ষিক সহযোগিতা আৰু সমন্বয়ৰ সন্দৰ্ভত  আলোচনা কৰে।

ooooo

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ উপস্থিতিত ওড়িশাত আজি কোৰাপুট সংমণ্ডলৰ হিন্দুস্তান এৰ'নটিক্স লিমিটেডে দুহেজাৰটা এৰো-ইঞ্জিন প্ৰদান কৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি  ভাৰতৰ মহাকাশ আৰু প্ৰতিৰক্ষা উৎপাদন ক্ষমতা আৰু সশস্ত্ৰ বাহিনীৰ কাৰ্য্যকৰী প্ৰস্তুতিৰ ক্ষেত্ৰত এইচ এ এল কোৰাপুতৰ অৱদানৰ প্ৰায় ছয় দশক পাৰ হ'ব। এই অনুষ্ঠানত শক্তি ইঞ্জিনৰ বাবে দ্বিতীয়টো উৎপাদন নেটৱৰ্ক স্থাপন সন্দৰ্ভতো  আলোকপাত কৰা হ'ব। এই প্ৰকল্পত দুশ কোটি টকাৰো অধিক বিনিয়োগ কৰা হ'ব। এই অতিৰিক্ত ক্ষমতাই ধ্ৰুৱ এডভান্সড লাইট হেলিকপ্টাৰ আৰু প্ৰচণ্ড লাইট কম্বেট হেলিকপ্টাৰকে ধৰি থলুৱা হেলিকপ্টাৰ প্লেটফৰ্মৰ ক্ৰমবৰ্ধমান প্ৰয়োজনীয়তাক শক্তিশালী কৰিব।

এই অনুষ্ঠানে ভাৰতক প্ৰতিৰক্ষা  সজুঁলিৰ ক্ৰেতাৰ পৰা প্ৰতিৰক্ষা ব্যৱস্থাৰ আৰ্হি নিৰ্মাণ কৰোঁতা, উন্নয়ক আৰু নিৰ্মাতালৈ ৰূপান্তৰিত কৰাৰ চৰকাৰৰ দৃষ্টিভংগীক আলোকপাত কৰে।

ooooo

২০২৬ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ নৱেল বঁটা ঘোষণা কৰা হৈছে। অপ্তোজেনেটিক্সৰ সৈতে জড়িত বিষয়ত কৰা গৱেষণাৰ বাবে কাৰ্ল দাইচেৰেথ, পীটাৰ হেগেমান আৰু জৰ্জ নাগেললৈ এই বঁটা আগবঢ়োৱা হৈছে। ষ্টকহমৰ কেৰলিনস্কা ইন্সটিটিউটেতত নৱেল সমিতিয়ে আজি এই বঁটা ঘোষণা কৰে। উল্লেখযোগ্য যে কাৰ্ল দাইচেৰেথ হৈছে আমেৰিকাৰ ষ্টেনফোৰ্ড বিশ্ববিদ্যালয়ৰ এগৰাকী অধ্যাপক, পীটাৰ হেগেমান হৈছে এগৰাকী জাৰ্মান জৈৱ পদাৰ্থ বিজ্ঞানী আৰু জৰ্জ নাগেল হৈছে এগৰাকীজাৰ্মান স্নায়ুবিজ্ঞানী।

০০০০০

চলিত বৰ্ষৰ জানুৱাৰীৰ পৰা আগষ্ট মাহলৈ মিজোৰামত ৬ লাখ ৭৫ হাজাৰ ২৮৪ গৰাকী পৰ্যটকৰ আগমন হৈছে। মিজোৰামৰ বিভাগীয় কৰ্তৃপক্ষই জনোৱা মতে, ইয়াৰে ৬ লাখ ৬৪ হাজাৰ ১৯৭ গৰাকী দেশী পৰ্যটক আৰু ১১ হাজাৰ ৮৭ গৰাকী বিদেশী পৰ্যটক। ২০২৪-২৫ বিত্তীয় বৰ্ষত ৰাজ্যসভাত পৰ্যটকৰ সংখ্যা আছিল ৫ লাখ ২৪ হাজাৰ ৭৮৪ গৰাকী। ইয়াৰে ৫ হাজাৰ ৯১১ গৰাকী বিদেশী পৰ্যটক। আনহাতে, ২০২৫-২৬ বৰ্ষত এই সংখ্যা ৯ লাখ ৮০ হাজাৰ ৬১৬ লৈ বৃদ্ধি হৈ অভিলেখ সৃষ্টি কৰিছে। নতুন ৰেল সংযোগ আৰু ৰাজ্যখনৰ পৰিবেশে পৰ্যটকসকলক মিজোৰামলৈ আকৰ্ষণ কৰিছে বুলি বিভাগীয় কৰ্তৃপক্ষই জনাইছে।

০০০০০

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মাজত হবলগীয়া পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ আজি প্ৰথমখন খেল লক্ষ্ণৌত অনুষ্ঠিত হব। লক্ষ্ণৌৰ ভাৰতৰত্ন অটল বিহাৰী বাজপেয়ী একনা ক্ৰিকেট ষ্টেডিয়ামত খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া ৭ বজাত  আৰম্ভ হ'ব।

২০২৬ বৰ্ষত এছিয়ান গেমছত সোণৰ পদক জয় কৰাৰ লগতে এদিনীয়া ইণ্টাৰনেশ্যনেল ছিৰিজত  জয় লাভ কৰাৰ পিছত আয়োজক দলটোৱে ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে জয়ী হোৱাৰ লক্ষ্য ৰাখিব। ভাৰতৰ এছিয়ান গেমছ ২০২৬ দলৰ ১০ জন সদস্যক এই শৃংখলাৰ বাবে নিৰ্বাচিত কৰাৰ বিপৰীতে এদিনীয়া দলৰ তিনিজন খেলুৱৈকো  দলটোৰ বাবে নিৰ্বাচন কৰা হৈছে।  পৰৱৰ্তী চাৰিখন টি-২০ মেচ চলিত মাহৰ ৯, ১১, ১৪ আৰু ১৭ তাৰিখে ৰাঞ্চি, ইন্দোৰ, হায়দৰাবাদ আৰু বেংগালুৰুত অনুষ্ঠিত হ'ব।

০০০০০

চাইনা অ'পেন টেনিছ প্ৰতিযোগিতাত  বেইজিঙত অনুষ্ঠিত  ছেমি ফাইনেলত ৰাছিয়াৰ ডেনিল মেডভেডেভ অযোগ্য বিবেচিত হোৱাৰ পিছতে  ছাৰ্বিয়ান ন'ভাক জ'কভিচ পুৰুষৰ একক ফাইনেলত প্ৰৱেশ কৰিছে।  ২০২২ বৰ্ষত  আষ্টানাত খিতাপ জয় কৰাৰ পিছত এতিয়া প্ৰথমবাৰৰ বাবে জ'ক'ভিচে এ টি পি ৫০০ ফাইনেলত প্ৰৱেশ কৰিছে ।ফাইনেল খেলখনত আজি অষ্ট্ৰেলিয়ান এলেক্স ডি মিনাউৰ জ'ক'ভিচৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

সমাপ্ত